## * নাৰীবাদৰ ধাৰণা

নাৰীবাদ হৈছে এনে এক মতাদৰ্শ যাৰ লক্ষ্য হৈছে সমাজত নাৰীৰ সমান সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰ প্ৰতিষ্ঠা আৰু সুৰক্ষিত কৰা। সাধাৰণতে ই নাৰীৰ অধিকাৰৰ লগতে সম্পৰ্কীত। নাৰীবাদৰ মতে জৈৱিক পাৰ্থক্যৰ বাহিৰে পুৰুষ-নাৰীৰ মাজত থকা পাৰ্থক্য সমূহ সমাজে সৃষ্টি কৰা অৰ্থাৎ এই পাৰ্থক্য সমূহ সামাজিক ভাৱে গঢ়ি উঠে।

নাৰীবাদ হৈছে এনে এক ধাৰণা যিয়ে পুৰুষৰ লগতে নাৰীৰো সমান অধিকাৰ আৰু সুযোগৰ দাবি কৰে। পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ ওপৰত পুৰুষৰ আধিপত্যৰ ফলস্বৰূপে নাৰীবাদৰ উদ্ভৱ হৈছে। ইয়াক এনে এক আন্দোলন বুলি কব পাৰি যিয়ে পিতৃতান্ত্ৰিক সমাজত নাৰীৰ অসমান অৱস্থান আৰু মৰ্যাদা দূৰ কৰাৰ চেষ্টা কৰে।

### নাৰীবাদৰ বৈশিষ্ট্য:-

(1) নাৰীবাদৰ হৈছে এনে এক মতাদৰ্শ যিয়ে সমাজত পুৰুষৰ লগতে সমান ভাৱে নাৰীৰ অধিকাৰ আৰু স্বাধীনতাৰ সুৰক্ষাৰ কথা কয়।

(2) নাৰীবাদী সকলৰ মতে জৈৱিক অংশৰ বাহিৰে পুৰুষ আৰু নাৰীৰ মাজত কোনো পাৰ্থক্য নাই। যেয়ে জীৱনৰ সকলো ক্ষেত্ৰতে পুৰুষ আৰু মহিলাই সমান মৰ্যাদা

লাভ কৰিব লাগে।

(3) নাৰীবাদে পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষৰ আধিপত্যৰ অস্তিত্ব স্বীকাৰ কৰে।

(4) নাৰীবাদে পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী সকলক বিভিন্ন বন্ধনৰ পৰা মুক্ত কৰে। অৰ্থাৎ নাৰীসবলীকৰণ বৃদ্ধি আৰু প্ৰতিষ্ঠা কৰাটো ইয়াৰ লক্ষ্য।

(5) ই নাৰীৰ অৰ্থনৈতিক, সামাজিক ৰাজনৈতিক আৰু সাংস্কৃতিক অধিকাৰ প্ৰতিষ্ঠা আৰু সুৰক্ষাৰ উদ্দেশ্যে লোৱা এক মতাদৰ্শন।

## নাৰীবাদৰ তিনিটা ঢৌ :

(1) প্ৰথমটো ঢৌ : নাৰীবাদৰ প্ৰথমটো ঢৌ উনবিংশ শতিকাৰ শেষভাগ আৰু বিংশ শতিকাৰ আৰম্ভণিত আমেৰিকাত আৰম্ভ হৈছিল। ইয়াত আমেৰিকা আৰু যুক্তৰাজ্যৰ উদাৰবাদী আৰু সমাজবাদী নাৰীবাদী আন্দোলন অন্তৰ্ভুক্ত আছিল। নগৰীয়াত শিল্প ব্যৱস্থা আৰু উদাৰ সামাজিক ৰাজনীতিৰ অধীনত এই ঢৌৰ উদ্ভৱ হৈছিল। ইয়াৰ উদ্দেশ্য আছিল পুৰুষৰ দৰেতে সমান ভাৱে নাৰীৰ বাবে সমান সুযোগ প্ৰতিষ্ঠা কৰা, বিশেষকৈ ভোটাধিকাৰৰ ক্ষেত্ৰত অৰ্থাৎ কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ নাৰীৰ ভোটাধিকাৰ নিশ্চিত কৰা।

1848 চনত অনুষ্ঠিত চেনেকা ফলচ সন্মিলনত Seneca Falls Convention প্ৰথম ঢৌৰ নাৰীবাদ আনুষ্ঠানিক ভাৱে আৰম্ভ হয়, য'ত প্ৰায় 300 নাৰীয়ে অংশগ্ৰহণ কৰে। এলিজাবেথ কেডি ষ্টেনটনে এই সন্মিলনৰ ধাৰা

প্ৰস্তাৱ কৰিছিল আৰু পুৰুষ নাৰীৰ সমান অধিকাৰ বিশেষকৈ ভোটাধিকাৰৰ দাবি উত্থাপন কৰিছিল। কিছুমান নাৰীবাদীয়ে নাৰীক নৈতিক ভাৱে পুৰুষতকৈ উচ্চ বুলি মত প্ৰকাশ কৰিছিল। আৰু সেয়েহে নাৰীৰ অংশ গ্ৰহণে সামাজিক আচৰণ আৰু ৰাজনৈতিক প্ৰক্ৰিয়া উন্নত কৰিব বুলি বিশ্বাস কৰিছিল। অৱশেষত ১৯১৯ চনত আমেৰিকাৰ সংবিধানৰ ১৯ তম সংশোধনী গৃহীত হোৱাৰ লগে লগে প্ৰথম ঢৌৰ নাৰীবাদৰ অন্ত পৰে। আৰু অকলো বাস্তৱত ৰাজ্যতে নাৰীৰ ভোটাধিকাৰ নিশ্চিত হয়।

② <u>দ্বিতীয় ঢৌ</u> :- দ্বিতীয় ঢৌৰ নাৰীবাদ ১৯৬০ ৰ দশকত, ই নাৰীৰ মুক্তি আন্দোলনৰ ধাৰণা আৰু কাৰ্যকলাপৰ সৈতে জড়িত আছিল, এই ঢৌয়ে নাৰীৰ আইনী আৰু সামাজিক সমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ই মূলত বৈষম্য দূৰীকৰণৰ দৰে সমতাৰ বিভিন্ন দিশৰ সৈতে সম্পৰ্কিত। এই ঢৌ নাৰী মুক্তিবাদ ধাৰণাৰ ওপৰত আধাৰিত আছিল।

এই ঢৌৰ সমৰ্থকসকলে পিতৃতন্ত্ৰ পুঁজিবাদ, বাধ্যতামূলক যৌনতা, লগতে মাতৃ আৰু পত্নী হিচাপে নাৰীৰ পৰম্পৰাগত ভূমিকাক তীব্ৰ সমালোচনা কৰিছিল। এই ঢৌৰ এক বিখ্যাত শ্লোগান আছিল - (Personal is Political) (ব্যক্তিগতই হৈছে ৰাজনৈতিক)। ইয়াৰ অৰ্থ হৈছে নাৰীৰ ব্যক্তিগত জীৱনৰ সমস্যা আচলতে অৰ্থনৈতিক আৰু সামাজিক সমস্যাহে। এই ঢৌৰ নাৰীবাদীসকলে "জীৱবিজ্ঞানী নিয়তি

এই ধাৰণাক নাকচ কৰে। তেওঁলোকে কৈছে যে সমাজে জৈৱিক পাৰ্থক্যক অযোগ্যতা কৰি নাৰীক দমন কৰে। সন্তান জন্ম দিয়া বা ঘৰুৱা কাম কৰা নাৰীৰ একমাত্ৰ কৰ্তব্য নহয় বুলি তেওঁলোকে যুক্তি আগবঢ়ায়।

এই ঢৌৰ ফলস্বৰূপে সমাজত নাৰীৰ ক্ষেত্ৰত শিক্ষা, কৰ্মসংস্থাপন প্ৰজনন অধিকাৰ যৌন স্বাধীনতা আৰু আইনী সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আহিল।

তৃতীয় ঢৌঃ- তৃতীয় ঢৌৰ নাৰীবাদ 1990 ৰ দশকত আৰম্ভ হয়। ই দ্বিতীয় ঢৌৰ নাৰীবাদৰ সীমাবদ্ধতা, প্ৰতিক্ৰিয়া স্বৰূপে উদ্ভৱ হৈছিল। এই ঢৌৰ নাৰীবাদী সকলে যুক্তি আগবঢ়ায় যে দ্বিতীয় ঢৌৰ নাৰীবাদ মূলত পাশ্চিমীয়া, মধ্যবিত্ত, শ্বেতাংগ নাৰীৰ অধিকাৰক উপৰত আৱৰিত আছিল। এই ঢৌৰ নাৰীবাদে এই ধাৰণাক অস্বীকাৰ কৰে যে, সকলো নাৰীৰ সমস্যা একেই। তেওঁলোকে কয় যে নাৰী সমস্যা সমাজ ভেদে ভিন্ন হয়। জাতি, জনজাতি, শ্ৰেণী, ভাষা, সংস্কৃতি আৰু যৌন অনুসৰি নাৰীৰ অভিজ্ঞতা পৃথক। এই ঢৌৰ জৰিয়তে নাৰীক দুৰ্বল বুলি গণ্য নকৰি সবলীকৰণৰ এক মাধ্যম হিচাপে চোৱা হয়। নাৰীৰ নিজা পছন্দ, পৰিচয় আৰু জীৱন শৈলীক এই ঢৌত গুৰুত্ব দিয়া হয়।

তৃতীয় ঢৌৰ নাৰীবাদৰ অন্তৰ্গত কিছুমান গুৰুত্বপূৰ্ণ ধাৰণা হ'ল- ① কৃষ্ণাংগ নাৰীবাদ (Eco famimism)

(ii) পৰিৱেশ নাৰীবাদ (Eco faminism)

(ii) সমকামী নাৰীবাদ ( Queer " )

এই চোৰ নাৰীবাদে বিশ্বৰ বিভিন্ন প্ৰান্তৰ নাৰীৰ সমস্যা বিশ্লেষণ কৰি এক বহুমুখী নাৰীবাদ গঢ়ি তুলে।

Q.*. উদাৰবাদী নাৰীবাদ: উদাৰবাদী নাৰীবাদ হৈছে নাৰীবাদৰ এক গুৰুত্বপূৰ্ণ আৰু পুৰণি ধাৰা, যি উদাৰবাদ নামৰ ৰাজনৈতিক মতবাদৰ ওপৰত আধাৰিত। ই ব্যক্তি স্বাধীনতা, সমান অধিকাৰ, যুক্তিবাদ আৰু গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিয়ে। উদাৰবাদী নাৰীবাদৰ মতে সমাজত নাৰী আৰু পুৰুষৰ মাজত থকা বৈষম্যৰ মূল কাৰণ হৈছে আইনী আৰু সামাজিক নিষেধ বিলাকেহে নাৰীক সমান সুযোগ সুবিধা লাভ কৰাত বাধা দিয়ে। সমান সুযোগ সুবিধা লাভ কৰাত বাধা দিয়ে। সেয়েহে নাৰীৰ মুক্তিৰ বাবে সমাজৰ গাথনি সম্পূৰ্ণ পৰিবৰ্তন আইন সংস্কাৰ আৰু সচেতনতা বৃদ্ধিৰ খুবেই প্ৰয়োজন। উদাৰবাদী নাৰীবাদে বিশ্বাস কৰে যে নাৰী সকল পুৰুষৰ সমান যুক্তিবাদী আৰু সক্ষম ব্যক্তি। ঐতিহ্যগত, নাৰীক শিক্ষাৰ পৰা বঞ্চিত কৰা, ৰাজনীতি আৰু অৰ্থনীতিৰ ক্ষেত্ৰত অংশগ্ৰহণৰ পৰা আঁতৰাই ৰাখি সমাজে তেওঁলোকক দুৰ্বল কৰি ৰাখিছে। সেয়েহে এই ধাৰাটো প্ৰথমে শিক্ষাৰ সমান সুযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকৰ মতে যদি নাৰীক মান সম্পন্ন শিক্ষা প্ৰদান কৰা হয়, তেন্তে তেওঁলোকে পুৰুষৰ দৰে দক্ষতা আৰু